# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-07-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

কেন্দ্ৰীয় চৰকাৰে শৰাইঘাটত ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয়খন ৰে'ল তথা পথ দলং নিৰ্মাণত অনুমোদন জনাইছে। এহেজাৰ ৪৭৩ কোটি ৭৭ লাখ টকা ব্যয় সাপেক্ষে এই দলংখন আগিয়াঠুৰি-কামাখ্যা ৰেলপথৰ দ্বৈতকৰণৰ অংশ হিচাপে নিৰ্মাণ কৰা হ্ব। উত্তৰ-পূৰ সীমান্ত ৰেলৱেৰ এখন বিজ্ঞপ্তি অনুসৰি এক দশমিক ৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই ষ্টীল কম্পোজিট গৰ্ডৰ দলঙখন নিৰ্মাণ কৰা হ'ব। দলঙখনৰ তলৰ অংশত দ্বৈত ৰে'লপথ আৰু ওপৰ অংশত পদপথৰ সৈতে ৩ টা লেনযুক্ত পথ থাকিব। এই দলঙখনৰ কাম সম্পূৰ্ণ হৈ উঠিলে আগিয়াঠুৰি-কামাখ্যা খণ্ডত ৰে'ল পথৰ সামৰ্থ অভুতপূৰ্বভাৱে বৃদ্ধি হ'ব। দলঙখনে অঞ্চলটোৰ ঔদ্যোগিক বিকাশত অৰিহণা যোগোৱাৰ লগতে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে সোণাপুৰত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে বিজেপিৰ চিন্তন বৈঠক অনুষ্ঠিত হৈছে। বৈঠকত ২০২৬ চনৰ নিৰ্বাচনত দলে কিদৰে আগবাঢ়িব সেই বিষয়ে পুংখানুপুংখভাৱে আলোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অসমৰ দায়িত্বত থকা দলৰ নেতা হৰিশ দিবেদী প্ৰমুখ্যে ভালেসংখ্যক শীৰ্ষ নেতা উপস্থিত থাকে।

০০০০

ৰাজ্যৰ অন্যান্য জিলাৰ লগতে হোজাই জিলাতো অনাবৃষ্টিৰ ফলত কৃষকে কৃষিকাৰ্যত অসুবিধাৰ সন্মুখীন হৈছে। জিলাখনত চৰকাৰৰ পৰিকল্পিত বিজ্ঞানসন্মত জলসিঞ্চন আঁচনিৰ অভাৱত কৃষকসকলে ধানখেতিৰ বতৰত কৃষিকাৰ্যৰ পৰা বিৰত থাকিবলগীয়া হৈছে। সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত হোজাই জিলা ছাত্ৰ সন্থাই জিলা আয়ুক্তৰ জৰিয়তে জলসিঞ্চনৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে। ছাত্ৰ সন্থাই ক্ষতিগ্ৰস্ত কৃষকসকলক এককালীনভাৱে আৰ্থিক সাহায্য প্ৰদান কৰিবলৈও আহ্বান জনাইছে।

খৰাং সদৃশ পৰিস্থিতিৰ বাবে বাক্সা জিলাতো সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত বাক্সা জিলা ছাত্ৰ সন্থাই বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। চৰকাৰৰ জলসিঞ্চন ব্যৱস্থাৰ ব্যৰ্থতাৰ প্ৰতিবাদত ৰূপায়ণ কৰা এই কাৰ্যসূচীত ছাত্ৰ সংগঠনটোৱে জলসিঞ্চন বিভাগৰ মন্ত্ৰী অশোক সিংহলৰ পদত্যাগৰ দাবী কৰে। কৃষিকাৰ্যত সহায়ক হোৱাকৈ তাৎক্ষণিকভাৱে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক ছাত্ৰ সন্থাই আহ্বান জনাইছে।

সাম্প্ৰতিক খৰাং সদৃশ পৰিস্থিতিৰ বাবে কৃষকে কৃষিকাৰ্যত পোৱা অসুবিধাৰ বাবে খেতি-পথাৰত সৌৰচালিত জলসিঞ্চন ব্যৱস্থা গ্ৰহণৰ দাবীৰে কামৰূপ জিলা ছাত্ৰ সন্থাই আজি কামৰূপ জিলাতো প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে।

আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে যে ৰাজ্য চৰকাৰে খৰাংসদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱা জিলাসমূহৰ কৃষকসকলক ক্ষতিপূৰণ প্ৰদান কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকত কালি এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে ৰাজ্যত খৰাংসদৃশ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ইয়াক ৰাজ্যিক দুৰ্যোগ বুলি বিবেচনা কৰি মন্ত্ৰীসভাই অসম দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ নীতি অনুসৰি নিৰ্ধাৰিত জিলাসমূহৰ কৃষকসকলক ক্ষতিপূৰণৰ সুবিধা প্ৰদানত অনুমোদন জনায়। খৰাংসদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱা জিলাকেইখন হৈছে – ডিব্ৰুগড়, তিনিচুকীয়া, বঙাইগাঁও, ধুবুৰী, বৰপেটা, বাক্সা, হোজাই, কামৰূপ আৰু চিৰাং। এই জিলাকেইখনত ৪০ শতাংশ কম বৰষুণ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ দুখন আঞ্চলিক পঞ্চায়তৰ ভিতৰত আজি মানকাচৰ আঞ্চলিক পঞ্চায়ত গঠন কৰা হয়। মানকাচৰ খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত জিলা নিৰ্বাচনী বিষয়া অচিন্ত ৰয়ৰ উপস্থিতিত নিৰ্বাচিত সদস্যসকলে শপত গ্ৰহণ কৰে। আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী হিচাপে নাৰ্গিছ্ খানক নিৰ্বাচিত কৰাৰ লগতে ৰাখিদা বেগমক উপ-সভানেত্ৰী হিচাপ বাছনি কৰা হয়। অহা ২১ জুলাইত জিলাখনৰ দ্বিতীয়খন আঞ্চলিক পঞ্চায়ত গঠন কৰা হ'ব বুলি জিলা প্ৰশাসনে আমাৰ মানকাচৰৰ সংবাদদাতাক জানিবলৈ দিয়ে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি আমেৰিকাৰ জৰ্জিয়া বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক তথা ইংৰাজী আৰু অসমীয়া ভাষাৰ জনপ্ৰিয় লেখক আৰুণি কাশ্যপৰ সৈতে এটা কথোপকথন প্ৰচাৰ কৰিব। নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰিত হ'বলগীয়া এই কথোপকথনত লেখকগৰাকীৰ সৈতে অংশগ্ৰহণ কৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০

সমাগত বি টি আৰ নিৰ্বাচনৰ বাবে ইউ পি পি এল দলে আজি বাক্সা জিলাৰ ককলাবাৰী সমষ্টিৰ শিলবাৰীত এখন মহিলা সজাগতা সভাৰ আয়োজন কৰে। সভাত ককলাবাৰী সমষ্টিৰ পাৰিষদ মণ্টু বড়োৰ লগতে দলটোৰ ভালেসংখ্যক মহিলা নেত্ৰী উপস্থিত থাকে। এই সভাত বিগত ৫ বছৰত ইউ পি পি এলৰ সাফল্যৰ খতিয়ান দাঙি ধৰা হয়। সমাগত নিৰ্বাচনৰ বাবে বুথ পৰ্যায়ৰ পৰা দলক শক্তিশালী কৰা প্ৰচেষ্টাৰে দলটোৰে ককলাবাৰী সমষ্টিৰ বিভিন্ন অঞ্চলত মহিলাসকলক উদ্দেশ্য কৰি এনেদৰে সভা অনুষ্ঠিত কৰি আহিছে।

০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছ'ত আজি নিচাজাতীয় দ্ৰব্যসহ এজন লোকক আৰক্ষীয়ে আটক কৰে। স্থানীয় ৰাইজৰ সহযোগত আৰক্ষীয়ে আটক কৰিবলৈ সমৰ্থ হোৱা লোকজন জগত মণ্ডল বুলি জানিব পৰা গৈছে। দীৰ্ঘদিন ধৰি মাদকদ্ৰব্য সৰবৰাহৰ সৈতে জড়িত মণ্ডলৰ পৰা আৰক্ষীয়ে মাদকদ্ৰব্য ভৰ্তি দুটা কণ্টেইনাৰ জব্দ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃঃ